*Total number of printed pages–3*

**14 (ASM–4) 4116**

**2024**

**ASSAMESE**

Paper : ASM–4116

***( Tibeto Burman )***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*৮ নং প্ৰশ্ন আৰু যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখিবা।*

১। তিব্বত-বৰ্মীয় ভাষাৰ উমৈহতীয়া বৈশিষ্ট্য চিহ্নিত কৰি দিবিলাকৰ সৈতে অসমৰ *যিকোনো এটা* তিব্বত-বৰ্মীয় ভাষাৰ মিল-অমিল বিচাৰ কৰা। ৬+৬=১২

২। অসমত চীন-তিব্বতীয় পেৰিয়ালৰ কি কি শাখাৰ কি কি ভাষাৰ প্ৰচলন আছে যিবিলাকক তালিকাভুক্ত কৰি বৰ্তমানৰ স্থিতি (ভৌগোলিক আৰু পাৰিসাংখ্যিক) নিৰ্দ্ধাৰণ কৰা। ৬+৬=১২

*Contd.*

৩। বৰো/ৰাভা/গাৰো/মিচিং/কাৰ্বি *(যিকোনো এটা)* ভাষাৰ স্বৰধ্বনি আৰু বিখণ্ডীয় ধ্বনিৰ (Supra segmental features) সকলো পৰিৱেশ আৰু অৱস্থানত বিৰোধী প্ৰয়োগ দেখুওৱা। ১২

৪। অসমত প্ৰচলিত *যিকোনো এটা* তিব্বত-বৰ্মীয় ভাষাৰ সৰ্বনামৰ গঠন আৰু প্ৰয়োগ দেখুৱাই অসমীয়াৰ সৈতে ইয়াৰ সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰা। ১২

৫। অসমীয়া আৰু অসমৰ *যিকোনো এটা* তিব্বত-বৰ্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ গঠন আৰু প্ৰয়োগৰ তুলনা কৰা। ১২

৬। বৰো/ৰাভা/মিচিং/কাৰ্বি/গাৰো *(যিকোনো এটা)* ভাষাৰ ক্ৰিয়াৰ বিভিন্ন প্ৰকাৰভেদ সম্বন্ধে বিতংভাৱে লিখা। ১২

৭। "অসমীয়া ভাষাত পৰিলক্ষিত হোৱা আৰ্য-ভিন্ন উপাদানসমূহৰ ভিতৰত তিব্বত-বৰ্মীয় ভাষাৰ উপাদানো নিচেই সামান্য নহয়। অৱশ্যে এইসমূহৰ কিছুমান বিতৰ্কৰো ঊৰ্দ্ধত নহয়।" এই সম্বন্ধে শব্দগত উপাদানসমূহৰ আধাৰত তোমাৰ যুক্তি সাব্যস্ত কৰা। ১২



৮। *যিকোনো চাৰিটা* প্ৰশ্নৰ চমুৱাই উত্তৰ কৰিবা ঃ ৫×৪=২০

(ক) তিব্বত-বৰ্মীয় ভাষাত কেন্দ্ৰীয় ধ্বনিৰ প্ৰাধান্য

(খ) *যিকোনো* তিব্বত-বৰ্মীয় ভাষাৰ নাসিক্য ধ্বনিৰ প্ৰয়োগ

(গ) *যিকোনো এটা* তিব্বত-বৰ্মীয় ভাষাৰ প্ৰশ্নবাচক বাক্যৰ সাধন-ৰীতি

(ঘ) তিব্বত-বৰ্মীয় ভাষাৰ লিংগভেদৰ উপায়

(ঙ) তিব্বত-বৰ্মীয় ভাষাৰ স্বসম্পাদন সূচকতা (Reflexivization)

(চ) তিব্বত-বৰ্মীয় ভাষাৰ সাধাৰণ অনুপদ (generic term)

---